# ৰাষ্ট্ৰপতিৰ ফিনলেণ্ড ভ্ৰমণ(১৪ অক্টোবৰ ২০১৪ ৰ পৰা ১৬ অক্টোবৰ ২০১৪ লৈ)

৮ অক্টোবৰ,২০১৪

ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জি ১৪–১৬ অক্টোবৰ ২০১৪ ৰাষ্ট্ৰীয় ভ্ৰমণৰ বাবে ফিনলেন্ড যাব ।এই ভ্ৰমণ কালত ৰাষ্ট্ৰপতি গৰাকীয়ে সেই দেশৰ ৰাষ্ট্ৰপতি,প্ৰধানমন্ত্ৰী,বিদেশমন্ত্ৰী আৰু সংসদৰ অধ্যক্ষৰ সৈতে সাক্ষাৎ কৰিব ।সন্মানীয় ৰাষ্ট্ৰপতি গৰাকীয়ে হেলসিংকিত এক বাণিজ্য সন্মিলনত ভাষণ দিব । তেওঁ ৰোভানেমিয়াও পৰিদৰ্শন কৰিব আৰু মেৰুবৃত্ত অতিক্ৰম কৰিব ।ইয়াৰ উপৰিও তেওঁ ‘আৰ্কটিকুম’ সংগ্ৰহালয় আৰু আৰ্কটিক বিজ্ঞান কেন্দ্ৰ পৰিদৰ্শন কৰিব ।

ৰাষ্ট্ৰপতি গৰাকীৰ ভ্ৰমণ কালত তেওঁৰ সৈতে অংশগ্ৰহণ কৰা প্ৰতিনিধিদলত থাকিব কেন্দ্ৰীয় মন্ত্ৰী,সাংসদ,উচ্চপদস্থ বিষয়া বিজ্ঞানী আৰু শিক্ষাপ্ৰতিষ্ঠানৰ প্ৰতিনিধি বৰ্গ ।

নতুন দিল্লী

৮ অক্টোবৰ ২০১৪